# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 22-08-2025
**Time :** 21-25 Hrs

### ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

উচ্চতম ন্যায়ালয়ে অসমত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ ১০০ শতাংশ পুনৰীক্ষণৰ বাবে দাখিল কৰা আবেদন সন্দৰ্ভত আজি কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ আৰু ভাৰতৰ মহা পঞ্জীয়কলৈ জাননী জাৰি কৰিছে। লগতে বৰ্তমান ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ অসমৰ মুখ্যসমন্বয়ক গৰাকীলৈকো সৰ্বোচ্চ ন্যায়ালয়ে জাননী জাৰি কৰিছে। অসমৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ প্ৰাক্তন সমন্বয়ক তথা অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া হিতেশ দেৱশৰ্মাই যোৱা জুলাই মাহত এই সন্দৰ্ভত দাখিল কৰা আবেদন আজি ন্যায়াধীশ পি নৰসিমহা আৰু ন্যায়াধীশ অতুল চন্দুৰকাৰক লৈ গঠিত খণ্ড বিচাৰপীঠে বিচাৰৰ বাবে গ্ৰহণ কৰে আৰু সংশ্লিষ্ট পক্ষলৈ জাননী জাৰি কৰে।

উল্লেখযোগ্য যে উচ্চতম ন্যায়ালয়ৰ তত্বাৱধানত ২০১৯ চনৰ ৩১ আগষ্টত অসম এন আৰ চিৰ চূড়ান্ত খছৰা প্ৰকাশ পাইছিল যদিও আজিলৈকে সেই চূড়ান্ত খছৰা তালিকাখন চূড়ান্ত বুলি গ্ৰহণ কৰা  নাই আৰু কেন্দ্ৰীয় চৰকাৰ অথবা ভাৰতৰ মহা পঞ্জীয়কৰ ফালৰ পৰা কোনো ধৰণৰ জাননী প্ৰকাশ কৰা হোৱা নাই।

০০০০০

উচ্চতম ন্যায়ালয়ে উৰিয়ামঘাটৰ উচ্ছেদ অভিযানত স্থগিতাদেশ জাৰি কৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৰায়ৰ বিৰুদ্ধে ৭৩ টা পৰিয়ালে দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি ন্যায়াধীশ পি নৰসিমহা আৰু অতুল চন্দ্ৰকাৰৰ বিচাৰপীঠে পৰৱৰ্তী শুনানি পৰ্যন্ত এই স্থগিতাদেশ জাৰি কৰে। উচ্চতম ন্যায়ালয়ে এই সন্দৰ্ভত অসম চৰকাৰ আৰু গোলাঘাট জিলা প্ৰশাসনলৈ জাননী জাৰি কৰিছে।

ইপিনে, ডিব্ৰুগড় জিলা প্ৰশাসনে আজি পল্টন বজাৰৰ মুখ্যমন্ত্ৰী সচিবালয়ৰ  সমীপৰ চৰকাৰী মাটিত অবৈধভাৱে বাস কৰা বহু লোকক উচ্ছেদ কৰে।

নগাঁও জিলা প্ৰশাসনে ধিং ৰাজহ চক্ৰৰ অধীনৰ ডাগৰ আৰু আলিটাঙনি মৌজাৰ জেঙনি তিনিআলিত উচ্ছেদৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। ধিং ৰাজহ চক্ৰ বিষয়াই যোৱা ৫ আৰু ৮ জুলাইত দখলীকৃত ভূমি খালী কৰিবলৈ অঞ্চল দুটাৰ জনসাধাৰণলৈ জাননী প্ৰেৰণ কৰিছিল। অহা ২৭ আগষ্টত এই অঞ্চলকেইটাত উচ্ছেদ অভিযান চলোৱা হ'ব।

বিশ্বনাথ জিলা প্ৰশাসনেও নিজ বাঘমাৰীৰ নামাপাৰা, প'লকটা আদি অঞ্চলৰ ৪৩৩ টা পৰিয়াললৈ উচ্ছেদৰ জাননী জাৰি কৰিছে। প্ৰশাসনে কালি বাঘমাৰী মণ্ডলৰ জৰিয়তে পৰিয়ালকেইটালৈ জাননী প্ৰেৰণ কৰি ১৫ দিনৰ ভিতৰত চৰকাৰী ভূমি ত্যাগ কৰিবলৈ নিৰ্দেশ দিছে।

০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নলবাৰীত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত আত্মসহায়ক গোটৰ সদস্যাসকললৈ চেক প্ৰদানৰ দ্বিতীয় পৰ্যায়ৰ কাৰ্যসূচী আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। বিগত এক এপ্ৰিলত  বিহালী সমষ্টিত অনুষ্ঠিত এটা কাৰ্যসূচীত মুখ্যমন্ত্ৰীয়ে এই অভিযানৰ প্ৰথম পৰ্যায় আৰম্ভ কৰিছিল। নলবাৰীৰ পি এম শ্ৰী ঘগ্ৰাপাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজিত আজি অনুষ্ঠানত আত্মসহায়ক গোটৰ অৰ্হতা সম্পন্ন মহিলাসকলক প্ৰাৰম্ভিক মূলধন হিচাপে ১০ হাজাৰ টকাকৈ প্ৰথম কিস্তিৰ উদ্যমিতা পুঁজি প্ৰদান কৰা হয়। এই উপলক্ষে আয়োজিত সভাত ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে আত্মসহায়ক গোটৰ সৈতে জড়িত মহিলাসকলক অৰ্থনৈতিকভাৱে সবল কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে এই অভিযান আৰম্ভ কৰিছে। তেওঁ কয়, যে ৰাজ্যৰ চহৰ আৰু গ্ৰামাঞ্চলত ৪ লাখ আত্মসহায়ক গোট আৰু এই গোটসমূহৰ সৈতে প্ৰায় ৪০ লাখ মহিলা জড়িত হৈ আছে।

০০০০০

আজি সন্ধিয়া পবিতৰা অভয়াৰণ্যৰ টুপলুং পহৰা চকীৰ এটা দলে  নিয়মীয়া তহলৰ সময়ত এটা গঁড়ৰ মৃতদেহ উদ্ধাৰ কৰে। উল্লেখযোগ্য যে মৃত গঁড়টোৰ খড়্গ অক্ষত অৱস্থাত পোৱা গৈছে। পবিতৰাৰ ৰেঞ্জাৰগৰাকীয়ে গঁড়টো প্ৰাকৃতিকভাৱে মৃত্যু হোৱাৰ মৃত্যুৰ সন্দেহ কৰিছে। কাইলৈ প্ৰয়োজনীয় মৰনোত্তৰ পৰীক্ষাৰ পাছত গঁড়টোৰ মৃত্যুৰ সঠিক কাৰণ জানিব পৰা যাব।

০০০০০

বিধানমণ্ডল, কাৰ্য্যপালিকা আৰু ন্যায়পালিকাৰ পাছতেই গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰূপে সংবাদ মাধ্যমে স্থান লাভ কৰি আহিছে। পৰিৱৰ্তিত সময়ত সংবাদ মাধ্যমে সৰ্বসাধাৰণ জনতাৰ আস্থা অটুট ৰাখিব পাৰিছেনে ? বা এই চতুৰ্থ স্তম্ভৰ সৈতে পঞ্চম স্তম্ভৰো প্ৰয়োজন আহি পৰিছে নেকি ?

এনেবোৰ প্ৰশ্নৰ উত্তৰ বিচাৰি কাইলৈ নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত লগ পাব দ্যা হিন্দু কাকতৰ উত্তৰ পূৰ্বাঞ্চলৰ প্ৰাক্তন ব্যুৰো ছীফ সুশান্ত তালুকদাৰ, স্তম্ভলেখক শংকৰ শইকীয়া, জ্যেষ্ঠ সাংবাদিক মনোৰম গগৈ আৰু তেজপুৰৰ মহাজাতি আৰু অগ্নিগড় কাকতৰ প্ৰাক্তন সহযোগী সম্পাদক অঞ্জন গোস্বামীয়ে।

এই অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

৬৪ সংখ্যক সুব্ৰত কাপ আন্তৰ্জাতিক ফুটবল প্ৰতিযোগিতাত অসমক প্ৰতিনিধিত্ব কৰা গুৱাহাটীৰ বেতকুছি হাইস্কুলৰ ছোৱালী দলে শ্ৰীলংকাৰ ছোৱালী দলক ৬-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। অসমৰ হৈ মিৰি মেছে ৩ টা গ'ল দি হেট্ৰিক অৰ্জন কৰাৰ লগতে মুছকান দৰ্জী আৰু ডিভিয়া তাঁতিয়ে এটাকৈ গ'ল দিয়ে।  আনহাতে শ্ৰীলংকাৰ দলে এটা আত্মঘাটি গ'লৰ সন্মুখীন হয়। ২৪ আগষ্টত হবলগীয়া কোৱাৰ্টাৰ ফাইনেল খেলখনত অসমৰ দলটো - গোৱাৰ সন্মুখীন হ'ব।

০০০০০

ঃঃ সমাপ্ত ঃঃ